স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-15 NO-253 WEDNESDAY 19 NOVEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH E

# কানৈ মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৮ নৱেম্বৰঃ 'সময় খৰচ কৰিব পাৰি, কিন্তু উপাৰ্জন কৰিব নোৱাৰি।' গুজৰাটৰ পাৰুল বিশ্ববিদ্যালয়ৰ শৈক্ষিক সঞ্চালক জাগৃত শৰ্মাই কালি এইদৰে কয়। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ কম্পিউটাৰ বিজ্ঞান বিভাগ, সাংবাদিকতা আৰু গণসংযোগ বিভাগ আৰু জৈৱ-প্ৰযুক্তি বিভাগৰ যৌথ উদ্যোগত অনুষ্ঠিত 'টাইম মেনেজমেণ্ট এণ্ড স্মাৰ্ট ষ্টাডী টেকনিক্‌ছ' শীৰ্ষক বিষয়ত বক্তা প্ৰদান কৰি শৰ্মাই কয়— ঈশ্বৰে সকলোকে একেধৰণে দিয়া একমাত্ৰ সম্পদ হৈছে সময়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সময়ক বুদ্ধিমত্তাৰে ব্যৱস্থাপনা কৰিবলৈ আহ্বান জনাই কয় যে সময় সঠিকভাৱে ব্যৱস্থাপনা নকৰিলে মানসিক চাপৰ সৃষ্টি হয়, সেয়ে সময়ৰ মূল্য সময়ত বুজিব লাগিব, পিছলৈ বুজিলে লাভ নাথাকে। কম্পিউটাৰ বিভাগৰ মুৰব্বী অধ্যাপক হৰজিন্দৰ সিঙে আঁত ধৰা বক্তৃতানুষ্ঠানত তেওঁ কয় যে আমি বৰ্তমান সময় সঠিকভাৱে ব্যৱস্থাপনা কৰিব পাৰিলেহে আমাৰ ভৱিষ্যৎ দিশহীন নহ'ব। তেওঁ ছাত্ৰ-ছাত্ৰীক পঢ়া-শুনা, দক্ষতা উন্নয়ন আৰু শিক্ষামূলক লক্ষ্য স্থাপন কৰাৰ দৰে উৎপাদনশীল কৰ্মত অধিক মগ্ন হ'বলৈ আহ্বান জনায়। অনুষ্ঠানটিত উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— সময় অতি মূল্যৱান আৰু গুৰুত্বপূৰ্ণ, সময় এবাৰ পাৰ হৈ গ'লে পুনৰ ঘূৰি নাহে। অধ্যক্ষগৰাকীয়ে কয়— ধন পুনৰ উপাৰ্জন কৰিব পৰা যায়, কিন্তু সময় পুনৰ উপাৰ্জন কৰিব পৰা নাযায়। সময় নষ্ট কৰিলে লোকজনে নিজৰ ওপৰত দোষ অনুভৱ কৰা উচিত। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ



ফুকনকে ধৰি কম্পিউটাৰ বিভাগ, সাংবাদিকতা আৰু গণসংযোগ বিভাগ আৰু জৈৱ-প্ৰযুক্তি বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত পাৰুল বিশ্ববিদ্যালয়ৰ শৈক্ষিক সঞ্চালক জাগৃত শৰ্মাক ফুলাম গামোচা, কিতাপৰ টোপোলা, প্ৰশংসা পত্ৰ আৰু অনুষ্ঠানটিৰ স্মৃতিবিজড়িত স্থিৰচিত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

গ ■

ৱা

নুষ্ঠান



সমীয়া বিভাগৰ ন নিৰ্দিষ্ট বক্তা কৰে। বিশিষ্ট